ভাৰতৰ উচ্চতম ন্যায়ালয়

সমাধান সমাৰোহ,২০২৬

ভাৰতৰ উচ্চতম ন্যায়ালয়ত (বিশেষ লোক আদালত)

এই সমাধান সমাৰোহৰ মূল লক্ষ্য হৈছে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ থকা উপযুক্ত গোচৰসমূহ পাৰস্পৰিক বুজাবুজি আৰু সন্মতিৰে নিষ্পত্তি কৰা।

সকলো সন্মাণীয় অধিবক্তা, গোচৰীয়া পক্ষ আৰু অন্যান্য সকলো সংশ্লিষ্ট পক্ষক এই অভিযানত সক্রিয়ভাৱে অংশগ্রহণ কৰি গোচৰসমূহৰ ফলপ্রসূ সমাধানৰ ক্ষেত্রত অৱদান যোগাবলৈ আহ্বান জনোৱা হৈছে। পক্ষসমূহে নিজ নিজ গোচৰসমূহৰ সমাধানৰ বাবে এই আলোচনাত সোশৰীৰে উপস্থিত থাকিব পাৰিব অথবা Video Conference পদ্ধতিৰেও অংশগ্রহণ কৰিব পাৰিব।

উল্লেখ্য যে, বিশেষ লোক আদালতৰ পূর্বৰ আলোচনা বা মীমাংসা বৈঠকসমূহ (pre-sitting) ৰাজ্য/জিলা/তালুকা/উচ্চ ন্যায়ালয়ৰ আইনী সেৱা প্রাধিকৰণ/সমিতিৰ মধ্যস্থতা কেন্দ্রসমূহত অনুষ্ঠিত কৰা হ'ব। এই বৈঠকসমূহত প্রশিক্ষিত মধ্যস্থতাকাৰী বা আইনী সেৱা প্রাধিকৰণৰ সচিবসকলে পক্ষসমূহক সহায় কৰিব।

আবেদন প্রক্রিয়া

গোচৰৰ পক্ষসমূহে আৰু তেওঁলোকৰ অধিবক্তাসকলে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা সৃষ্ট সৰল গুগল ফর্মখন (Google Form) পূৰণ কৰি নিজৰ গোচৰটো সমাধান সমাৰোহ, ২০২৬-ত অন্তর্ভুক্ত কৰিব পাৰিব।

এই ফর্মখন উচ্চতম ন্যায়ালয়ৰ অফিচিয়েল ৱেবচাইট https://www.sci.gov.in/ ত উপলব্ধ।

গুগল ফর্মৰ লিংক: https://forms.gle/jqxefqF4BCWzukoP6

ফর্ম পূৰণৰ অন্তিম তাৰিখ: **৩১ মে', ২০২৬**

যোগাযোগৰ ঠিকনা (সহায়ৰ বাবে)

যিকোনো ধৰণৰ তথ্য বা সহায়ৰ বাবে নিম্নলিখিত নম্বৰত যোগাযোগ কৰক:

ৱান ষ্টপ চেণ্টাৰ (One Stop Centre) ইনচার্জ: 011-23112428, 011-23112528

চি.আৰ.পি. পৰিচালক: 011-23115652

ৱান ষ্টপ চেণ্টাৰ (কক্ষ নং ৮০৬ আৰু ৮০৮, বি-ব্লক, অতিৰিক্ত ভৱন চৌহদ, উচ্চতম ন্যায়ালয়): 011- 23116464, 011-23116465

ই-মেইল: speciallokadalat2026@sci.nic.in

এই গোহাৰি ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰা জনস্বার্থত জাৰী কৰা হৈছে।